RNI REGN
epa
Portal
e-mail

### দিনটোৰ বাণী

বতাহৰ বিপৰীতে চিলাই আটাইতকৈ ওপৰলৈ উৰে, বতাহৰ লগত নহয়।

— উইনষ্টন চাৰ্চিল

# অসম আদিত্য


অষ্টম বছৰ ■ সংখ্যা ১০১ ■ ৩ ব'হাগ, ১৯৪৮ শক ■ শুকুৰবাৰ, ১৭ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, April 17, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ



### বিহু উৎসৱবোৰ এক বিশাল বৃক্ষৰ দৰেঃ ড° শশীকান্ত শইকীয়া

## ব'হাগ আদৰণি অনুষ্ঠানত অসম আদিত্যৰ মুখ্য সম্পাদক ডাঃ নিৰ্মল চাহেৱালাক সম্বৰ্ধনা জাতীয় যৌথ মঞ্চৰ

**ষ্টাফ ৰিপৰ্টাৰ, ১৬ এপ্ৰিল ঃ** অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা বিহু উৎসৱ, বিহু সন্মিলনবোৰ এজোপা এজোপা বিৰাট বটবৃক্ষৰ দৰে। নাচ-গান আৰু ৰং-তামাচা, আনন্দ-স্ফূৰ্তিবোৰ হ'ল ইয়াৰ ডাল-পাতৰ দৰে। সেই বটবৃক্ষজোপাৰ শিপা হ'ল স্মৃতিগ্ৰন্থ। নাচ-গান-আনন্দ-স্ফূৰ্তিবোৰ সন্মিলন, উৎসৱ শেষ হোৱাৰ পিছতে বিলিন হৈ যায়, কিন্তু ছপা আখৰৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থখনে চিৰজীৱন ইতিহাসত ৰৈ যায়।— জাতীয় যৌথ মঞ্চ অসমৰ উদ্যোগত আৰু ডিব্ৰুগড়বাসীৰ সহযোগত ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত অনুষ্ঠিত ব'হাগ আদৰণি কাৰ্যসূচীত জ্যেষ্ঠ ব্যক্তিৰ সম্বৰ্ধনা, স্মৃতিগ্ৰন্থ উন্মোচন কাৰ্যসূচীত 'জুবিন' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, ডিব্ৰুগড় ৬ পৃষ্ঠাত




অধিক সময় ধৰি বিশ্বৰ শীৰ্ষস্থান বিস্তাৰ কৰা ডেনিছ তাৰকাগৰাকীয়ে। ইয়াৰ লগে লগে অন্ত পৰে বেডমিণ্টন জগতৰ এক সোণালী অধ্যায়। কিয়নো বেডমিণ্টন জগতৰ এক্সেলছেনৰ পৰিসংখ্যা আছিল সঁচাকৈয়ে ঈৰ্ষণীয়। টকিঅ' অলিম্পিক আৰু শেহতীয়া পেৰিছ অলিম্পিকত ক্ৰমাগত দুটা সোণৰ পদক জয় কৰাৰ লগতে ৰিঅ'ত তেওঁ ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। কেৱল অলিম্পিকেই নহয়, ২০১৭ আৰু ২০২২ চনত বিশ্ব চেম্পিয়নশ্বিপৰ মুকুটো অৰ্জন কৰিছিল তেওঁ। ২০২১ ৰ পৰা ২০২৩ লৈ একেৰাহে তিনিবাৰকৈ বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ জয় কৰাৰ লগতে সৰ্বমুঠ পাঁচবাৰ এই খিতাপ আৰু ১০ টাকৈ ছুপাৰ ১০০০ খিতাপ দখল কৰিছিল এইগৰাকী মহান খেলুৱৈয়ে। মনকৰিবলগীয়া যে ডেনিছ কিংবদন্তিগৰাকীৰ এই অৱসৰ ঘোষণাই সমগ্ৰ ক্ৰীড়াজগতক স্তব্ধ কৰি তোলাৰ সময়তে আৱেগিক হৈ পৰিছে ভাৰতীয় বেডমিণ্টনৰ উজ্জ্বল নক্ষত্ৰ লক্ষ্য সেন। কিংবদন্তি কেৱল ক'ৰ্টৰ পৰিসংখ্যাতেই আবদ্ধ নহয়, বৰঞ্চ তেওঁৰ অনবদ্য ব্যক্তিত্ব আৰু খেলুৱৈসুলভ মনোভাৱ সমানেই প্ৰেৰণাদায়ক। নিজৰ বাৰ্তাত দুয়োগৰাকী খেলুৱৈৰ যুটীয়া যাত্ৰাৰ স্মৃতি ৰোমন্থন কৰি লক্ষ্যই দুবাইত একেলগে প্ৰশিক্ষণ লোৱাৰ পৰা আৰম্ভ কৰি অল ইংলেণ্ড অ'পেন আৰু অলিম্পিকৰ দৰে সৰ্বোচ্চ পৰ্যায়ৰ মঞ্চত মুখামুখি হোৱাৰ অভিজ্ঞতাখিনি তেওঁৰ জীৱনৰ এক অমূল্য স্মৃতি বুলি অভিহিত কৰে। উল্লেখ্য যে দুয়োগৰাকী তাৰকাৰ অন্তিমখন ৰোমাঞ্চকৰ যুঁজ দেখা গৈছিল শেহতীয়া পেৰিছ অলিম্পিকৰ ছেমিফাইনেলত। সেই তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক মেচখনত এক্সেলছেনে ২২-২০, ২১-১৪ ব্যৱধানত জয়লাভ কৰি পৰৱৰ্তী সময়ত সোণৰ পদকো দখল কৰিছিল। পৰিসংখ্যা অনুসৰি দুয়োৰে মাজত হোৱা ৯ খন মেচৰ ভিতৰত ৮ খনতেই এক্সেলছেনে জয়লাভ কৰাৰ বিপৰীতে লক্ষ্যই মাত্ৰ এবাৰ জাৰ্মান অ'পেনত জয়ৰ সোৱাদ পাইছিল। কিন্তু ক'ৰ্টৰ এই যুঁজে দুয়োৰে মাজৰ পাৰস্পৰিক শ্ৰদ্ধাবোধ কেতিয়াও ম্লান পৰিবলৈ দিয়া নাছিল।

## অষ্টম সংখ্যক ৰাষ্ট্ৰীয় যুৱ বক্সিং চেম্পিয়নশ্বিপ



